Total No. of Printed Pages—7

**HS/XII/A/a/18**

**2 0 1 8**

## ASSAMESE ( ELECTIVE )

*Full Marks* : 100

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*General Instructions* :

(i) Write all the answers in the Answer Script.

(ii) Attempt Part—A (Objective Questions) serially.

(iii) Attempt all parts of a question together at one place.

( PART : A—OBJECTIVE )

( *Marks* : 50 )

SECTION—I

( *Marks* : 20 )

১। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ, উত্তৰ-বহীত লিখা (**দুটা** বা **তিনিটা** শব্দৰে) : ১×১০=১০

(ক) 'অৰুণোদয়' কাকতৰ প্ৰথম সম্পাদকজনৰ নাম কি?

(খ) 'কীৰ্তন' পুথিৰ ৰচক কোন?

(গ) দ্ৰৌপদীয়ে খটাসুৰক কোন বনত লগ পাইছিল ?

(ঘ) 'মগৰীবৰ আজান' কোন শ্ৰেণীৰ নাটক ?

(ঙ) অসমীয়া গদ্যৰ জনক ভট্টদেৱৰ সম্পূৰ্ণ নামটো কি ?

(চ) 'ৰুবায়ত' কোনে ৰচনা কৰিছিল ?

(ছ) 'বনকুঁৱৰী' কোন শ্ৰেণীৰ কবিতা ?

(জ) মেক্সীম গৰ্কী কোন দেশৰ সাহিত্যিক ?

(ঝ) জোনাকী যুগৰ ত্ৰিমূৰ্তিৰ যি কোনো এজনৰ নাম লিখা।

(ঞ) মাধৱদেৱ বিৰচিত দাস্যভাৱাত্মক গ্ৰন্থখনৰ নাম কি ?

২। তলৰ বাক্যসমূহৰ খালী ঠাইসমূহ সঠিক শব্দৰে পূৰণ কৰি উত্তৰ-বহীত লিখা : ১×৫=৫

(ক) ঋণং ______ ঘৃতং পিৱেৎ।

(খ) চাৰিটা শ্লোকৰ যিটো অৰ্থক কহয়।
সেইজন জানিবাহা ______ তনয়॥

(গ) কল্যাণ বনত ৰৈলা _____ হুই।

(ঘ) কৰিম! কৰিম!! আহিছ ভাই, _____ বন্ধ কৰি থৈছে, ওলাব নোৱাৰো।

(ঙ) ডাঙৰ জাতীয়তা অবিহনে ডাঙৰ _____ সম্ভৱ নহয়।

৩। কেৱল শুদ্ধ উত্তৰটো উত্তৰ-বহীত লিখা : ১×৫=৫

(ক) উপন্যাস সম্রাট হিচাপে জনা যায়

( লক্ষ্মীনাথ বেজবৰুৱা / ৰজনীকান্ত বৰদলৈ/ হেমচন্দ্ৰ গোস্বামী )

(খ) 'জোনাকী' কাকতখন পোনপ্ৰথমে প্ৰকাশ পায়

( গুৱাহাটীত / শিৱসাগৰত /কলিকতাত )

(গ) 'ওমৰ খায়াম' প্ৰবন্ধটোৰ লেখকৰ নাম

( মাধৱদেৱ / সত্যেন্দ্ৰনাথ গোস্বামী / যতীন্দ্ৰনাথ দুৱৰা )

(ঘ) খটাসুৰক বৰ প্ৰদান কৰিছিল

( ব্ৰহ্মাই / বিষ্ণুৱে / মহেশ্বৰে )

(ঙ) সাহিত্যিক গী দ মোপাছাঁৰ দেশখন হ'ল

( ভাৰত / ফৰাচী / ৰাচিয়া )

## SECTION—II

( *Marks* : 30 )

৪। তলৰ যি কোনো **দহটা** প্ৰশ্নৰ উত্তৰ পোনপটীয়াকৈ উত্তৰ-বহীত লিখা (**পাঁচ-ছয় শাৰীত**) : ৩×১০=৩০

(ক) ‘‘সৰস্বতীৰ কৃপা হ’লেও লক্ষ্মীদেৱীৰ অশুভ দৃষ্টিত অসমীয়াৰ সাহিত্যিক জীৱন লৈ লৈ থৈ থৈ।’’ কি কাৰণে অসমীয়াৰ সাহিত্যিক জীৱন লৈলৈ থৈথৈ, বুজাই লিখা। ৩

(খ) ‘‘তিৰোতাৰ কথা তিৰোতাইহে জানে। তহঁতে কি বুজিবি?’’ উক্ত কথাষাৰ কোনে, কাক, কি প্ৰসংগত কৈছিল? ১+১+১=৩

(গ) অসমীয়া সাহিত্যলৈ মিছনাৰীসকলৰ তিনিটা অৱদানৰ বিষয়ে লিখা। ১+১+১=৩

(ঘ) ‘কামিনীকান্ত’ৰ লেখকৰ নাম কি? এইখন কি বিষয়ৰ গ্ৰন্থ? ১+২=৩

(ঙ) অংকীয়া নাট বা বৰগীতসমূহত শ্ৰীশ্ৰী মাধৱদেৱে শিশু কৃষ্ণৰ চৰিত্ৰ কিদৰে বৰ্ণনা কৰিছে তাৰ তিনিটা নিদৰ্শন দিয়া। ১+১+১=৩

(চ) নাটক আৰু উপন্যাসৰ দুটা পাৰ্থক্য লিখা। ১$\frac{১}{২}$+১$\frac{১}{২}$=৩

(ছ) ভট্টদেৱে অসমীয়ালৈ অনুবাদ কৰা দুখন গ্ৰন্থৰ নাম লিখা। ১$\frac{১}{২}$+১$\frac{১}{২}$=৩

(জ) ‘মগৰীবৰ আজান’ নাটকৰ যি কোনো তিনিটা পুৰুষ চৰিত্ৰৰ নাম লিখা। ১+১+১=৩

(ঝ) মহাপুৰুষ শংকৰদেৱ বিৰচিত দুখন নাটকৰ নাম লিখা। $১\frac{১}{২}+১\frac{১}{২}=৩$

(ঞ) ৰবীন্দ্ৰনাথ ঠাকুৰে কি পুথিৰ বাবে নোবেল বঁটা লাভ কৰিছিল? তেওঁ কি ভাষাত সাহিত্য ৰচনা কৰিছিল? $১\frac{১}{২}+১\frac{১}{২}=৩$

(ট) ট্ৰিনিটি থিয়ৰী কি? ৩

(ঠ) নহুষ ৰজাই কিয় অজগৰৰ ৰূপ পাইছিল? ৩

(ড) খটাসুৰক কোনে, কেনেকৈ বধ কৰিছিল? ১+২=৩

(ঢ) ‘মগৰীবৰ আজান’ নাটকৰ নাট্যকাৰ কেইজন? তেওঁলোকৰ নাম কি কি? ১+২=৩

(ণ) হাচান বেন চাৰ্ব্বা কোন? তেওঁৰ চমু পৰিচয় দাঙি ধৰা। ১+২=৩

( PART : B—DESCRIPTIVE )

( *Marks* : 50 )

৫। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০

(ক) অসমীয়া সাহিত্য সৃষ্টিত সাধনাৰ অভাৱৰ বিষয়ে লেখকে কি কি কাৰণ দৰ্শাইছে, 'সাহিত্যত সাধনা, আৰ্ট আৰু ৰুচি' প্ৰবন্ধৰ সহায়ত বুজাই লিখা। ৩+৭=১০

(খ) বৰগীতসমূহ কোনে ৰচনা কৰিছিল? বৰগীতৰ ভাষা কি? ইয়াৰ ভাষাৰ বৈশিষ্ট্য সম্পৰ্কে এখন ৰচনা লিখা। ২+১+৭=১০

(গ) মানুহৰ জীৱনদৰ্শন সম্পৰ্কে ওমৰ খায়ামৰ ধাৰণা কেনেকুৱা আছিল, পাঠ্যপুথিৰ আধাৰত এটি প্ৰবন্ধ যুগুত কৰা। ১০

৬। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০

(ক) বধকাব্যসমূহ কোন যুগৰ ৰচনা? এইসমূহ ৰচনা কৰাৰ মূল উদ্দেশ্য কি আছিল? কেইখনমান বধকাব্যৰ নাম লিখা। ২+৪+৪=১০

(খ) খটাসুৰৰ লগত পাণ্ডৱসকলে কিয় যুদ্ধ কৰিবলগীয়া হৈছিল? যুদ্ধখনৰ এটি বৰ্ণনা দিয়া। ৫+৫=১০

(গ) "নামিবৰ চিহ্ন তাত দেখে ভীমসেন।
উঠিবাৰ চিহ্ন নেদেখয় কোন স্থান॥"

কথাখিনিৰ প্ৰাসংগিকতা দৰ্শাই কাহিনীভাগ বহলাই লিখা। ৫+৫=১০

৭। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০

(ক) সামাজিক নাটক হিচাপে 'মগৰীবৰ আজান' নাটকৰ এটি আলোচনা যুগুত কৰা। ১০

(খ) 'মগৰীবৰ আজান' নাটকৰ নাৰী চৰিত্ৰকেইটাৰ নাম উল্লেখ কৰি যি কোনো দুটা চৰিত্ৰৰ ওপৰত একোটা টোকা লিখা। ২+৪+৪=১০

(গ) কৰিম কেনেদৰে অগ্নিদগ্ধ হ'ল? 'মগৰীবৰ আজান' নাটকৰ শেষৰ দৃশ্যত অংকন কৰা কৰিমৰ মৃত্যু দৃশ্যটি বৰ্ণনা কৰা। ১০

৮। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০

(ক) 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ই অসমীয়া ভাষাৰ উন্নতিৰ বাবে কি কি প্ৰচেষ্টা চলাইছিল, বহলাই লিখা। ১০

(খ) 'অসমীয়া সাহিত্যলৈ মিছনেৰীসকলৰ অৱদান' শীৰ্ষক এখনি ৰচনা লিখা। ১০

(গ) মহাপুৰুষ মাধৱদেৱৰ সাহিত্য-কৃতিৰ বিষয়ে বহলাই লিখা। ১০

৯। তলৰ যি কোনো **চাৰিটাৰ** চমু টোকা লিখা : $২\frac{১}{২}\times৪=১০$

অংকীয়া নাট ; ড. মাইলছ ব্ৰন্সন ; হেমাই পণ্ডিত ; নাম-ঘোষা ; ভেদেউ ; গুণমালা ; মাধৱ কন্দলী ; জোনাকী কাকত ; ভীমসেন।

★★★